**এমনেষ্টী ইন্টাৰনেচনেল**

**প্ৰেছ বিজ্ঞপ্তি**

৭ ফেব্ৰুৱাৰী ২০২৪ ৰ দুপৰিয়া ১২ বজালৈ (জিএমটি)/ভাৰতীয় সময় মতে আবেলি ৫.30 বজালৈ ছপা নিষেধ।

**নতুন প্ৰতিবেদনৰ আহ্বান: ভাৰতীয় কতৃপক্ষই অন্যায়ভাৱে মুছলমানৰ সম্পত্তি ধ্বংস কৰা শীঘ্ৰেই বন্দ কৰক।**

***ভাৰতৰ সংখ্যালঘুসকলৰ বিৰুদ্ধে ঘৃণা বিয়পোৱাত জেচিবি ব্ৰেণ্ডৰ মেচিনৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ***

মুছলমানৰ ঘৰ, ব্যৱসায় আৰু ধৰ্মস্থল অবৈধভাৱে ভঙা কামত জেচিবিৰ বুলডোজাৰ আৰু অন্য মেচিনৰ ব্যৱহাৰ তৎক্ষণাৎ বন্ধ হ'ব লাগে বুলি এমনেষ্টী ইন্টাৰনেচনেলে আজি প্ৰকাশ কৰা দুটা প্ৰতিবেদনত কয়।

'মুখ খুলিলেই ঘৰ ভাঙি দিয়া হব': ভাৰতত বুলডোজাৰৰ অন্যায়' আৰু 'আনাৰ্থিং একাউন্টেবিলিটি: ভাৰতত বুলডোজাৰ অন্যায়ৰ ক্ষেত্ৰত জেচিবিৰ ভূমিকা আৰু দায়বদ্ধতা'—এই দুয়োখন প্ৰতিবেদনত অন্ততঃ পাঁচখন ৰাজ্যত মুছলমানৰ সম্পত্তিৰ শাস্তিমূলক ধ্বংসৰ তথ্য দাঙি ধৰা হৈছে। সংখ্যালঘু সকলৰ বিৰুদ্ধে ঘৃণা বিয়পোৱাত জেচিবি ব্ৰেণ্ডৰ বুলডোজাৰ বা খনন সঁজুলিৰ ব্যাপক ব্যৱহাৰো নথিভুক্ত কৰা হৈছে। গোটেই ভাৰতত অবাধ চলি থকা এনেবোৰ ধ্বংসকাৰ্য্যৰ উদাহৰণ বিগত মাহৰ আৰম্ভণিতে ভাৰতৰ মুম্বাইত দেখা গ'ল য'ত ৰাম মন্দিৰৰ ৰেলীয়ে হিংসাত্মক ৰূপ লোৱাৰ পিছত মীৰা ৰোডত বুলডোজাৰ চলোৱা হ'ল।

এমনেষ্টী ইন্টাৰনেচনলে ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰবোৰক আহ্বান জনাইছে যাতে ঘৰ-দুৱাৰ ভাঙি দিয়াৰ নীতি তৎক্ষণাৎ পৰিহাৰ কৰে আৰু নিশ্চিত কৰে যে বলপূৰ্বক উচ্ছেদৰ ফলত কোনো লোক গৃহহীন নহয়। এনে উচ্ছেদৰ বলি হোৱা সকলোকে যাতে উচিৎ ক্ষতিপূৰণ দিয়া হয় আৰু দায়ী লোকৰ জবাবদিহি সুনিশ্চিত কৰা হয়।

"ৰাজনৈতিক নেতা আৰু সংবাদ মাধ্যমৰ দ্বাৰা 'বুলডোজাৰ ন্যায়' হিচাপে প্ৰচাৰিত ভাৰতীয় কৰ্তৃপক্ষৰ দ্বাৰা মুছলমানৰ সম্পত্তিৰ অবৈধ ধ্বংস নিষ্ঠুৰ আৰু ভয়ংকৰ। এনে স্থানচ্যুতি আৰু বেদখল বেআইনী আৰু বৈষম্যমূলক। তেওঁলোকে পৰিয়াল ধ্বংস কৰিছে—ই তৎক্ষণাৎ বন্ধ কৰিব লাগে", এমনেষ্টী ইন্টাৰনেচনেলৰ সচিবপ্ৰধান এগ্নেছ কালামাৰ্ডে কয়।

"প্ৰশাসনে ঘৃণা, নিৰ্যাতন, হিংসাৰ অভিযান চলাই, জেচিবিৰ বুলডোজাৰক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি আইনৰ শাসনক ভেঙুচালি কৰি ঘৰ-দুৱাৰ, ব্যৱসায়-বাণিজ্য আৰু ধৰ্মীয় স্থানসমূহ ধ্বংস কৰি আহিছে। মানৱাধিকাৰৰ এনে উলংঘাৰ জৰুৰীভাৱে মোকাবিলা কৰিব লাগে।"

এমনেষ্টী ইন্টাৰনেচনেলৰ ক্ৰাইছিছ এভিডেন্স্ লেব আৰু ডিজিটেল ভেৰিফিকেচন ক'ৰে নিশ্চিত কৰিছে যে একমাত্ৰ নহ'লেও এই ধ্বংসকাৰ্য্যত জেচিবিৰ মেচিনৰ সৰ্বাধিক ব্যৱহাৰ হৈছিল। ইয়াৰ বাৰম্বাৰ ব্যৱহাৰত উল্লসিত দক্ষিণপন্থী সংবাদ মাধ্যম তথা ৰাজনৈতিক নেতা বিলাকে জেচিবিক 'জিহাদী কন্ট্ৰোল বোৰ্ড' বুলিও অভিহিত কৰিছে।

এমনেষ্টী ইন্টাৰনেচনেলৰ চিঠিৰ উত্তৰত জেচিবিৰ এগৰাকী মুখপাত্ৰই কয় যে এবাৰ গ্ৰাহকক সামগ্ৰী বিক্ৰী কৰাৰ পিছত তাৰ ব্যৱহাৰ বা অপব্যৱহাৰক লৈ কোম্পানীৰ কোনো নিয়ন্ত্ৰণ বা দায়িত্ব নাথাকে।

কিন্তু ব্যৱসায় আৰু মানৱ অধিকাৰ সম্পৰ্কীয় ৰাষ্ট্ৰসংঘৰ নিৰ্দেশাত্মক নীতি অনুসৰি জেচিবি মানৱাধিকাৰক সন্মান জনাবলৈ দায়বদ্ধ। জেচিবিৰ মূল্য শৃংখলা জুৰি ইয়াৰ কাৰ্য্যকৰী, পণ্য বা সেৱাসমূহৰ সৈতে প্ৰত্যক্ষভাৱে সম্পৰ্কিত মানৱাধিকাৰ বিৰোধী প্ৰভাৱসমূহ চিনাক্ত কৰা, প্ৰতিৰোধ কৰা আৰু হ্ৰাস কৰাৰ বাবে যথাযথ সতৰ্কতা অৱলম্বন কৰাটো এই দায়িত্বৰ ভিতৰত পৰে। এই আৱশ্যকতা বিশেষভাৱে গুৰুত্বপূৰ্ণ হৈ পৰে যেতিয়া এটা কোম্পানীৰ সামগ্ৰীৰ ব্যৱহাৰ অসম, দিল্লী, গুজৰাট, উত্তৰ প্ৰদেশ আৰু মধ্য প্ৰদেশৰ দৰে অঞ্চলত হয় য'ত মানৱাধিকাৰ উলংঘনৰ সৈতে ইয়াৰ সম্পৰ্কৰ প্ৰচুৰ সম্ভাৱনা অথবা প্ৰমাণ থাকে।

আন্তঃৰাষ্ট্ৰীয় আইনৰ অধীনত তৃতীয় পক্ষৰ ক্ৰেতাসকলে ইয়াৰ সঁজুলিৰ সৈতে কি কৰে তাৰ বাবে জেচিবি দায়বদ্ধ। যিহেতু বুলডোজাৰৰ ওপৰত উঠি মানুহে মুছলমান বিৰোধী শ্লোগান দিয়া দেখা যাই, তেনেস্থলত

কোম্পানীয়ে নিজৰ মেচিনৰ ব্যৱহাৰ মুছলমানক আক্ৰমণ কৰিবলৈ বা শাস্তি বিহিবলৈ কৰাটো আওকাণ কৰিব নোৱাৰে। য'ত বুলডোজাৰৰ ব্যৱহাৰ মানৱাধিকাৰ উলংঘনৰ বাবে বাৰম্বাৰ হৈ আছে তেনেস্থলত জেচিবিয়ে দায় সাৰিব নোৱাৰে," এগ্নেছ কালামাৰ্ডে কয়।

"কোম্পানীটোৱে ভাৰতত মুছলমানৰ সম্পত্তিৰ শাস্তিমূলক ধ্বংসকে ধৰি মানৱাধিকাৰ উলংঘনৰ বাবে ইয়াৰ যন্ত্ৰৰ ব্যৱহাৰৰ ৰাজহুৱাভাৱে গৰিহণা দিব লাগে। নিজৰ মেচিনৰ বিৰূপ প্ৰভাৱ হ্ৰাস কৰিবলৈ জেচিবিয়ে নিজৰ প্ৰভাৱ ব্যৱহাৰ কৰিব লাগিব আৰু সমগ্ৰ বিশ্বতে ইয়াৰ যন্ত্ৰৰ ব্যৱহাৰৰ বাবে শক্তিশালী মানৱাধিকাৰৰ নীতি তৈয়াৰ কৰিব লাগিব।"

**ধৰ্মীয় সংখ্যালঘুৰ বাবে 'শাস্তি'**

২০২২ চনৰ এপ্ৰিল আৰু জুনৰ ভিতৰত এমনেষ্টী ইন্টাৰনেচনেলৰ গৱেষকসকলে দেখা পাই যে পাঁচখন ৰাজ্যৰ কৰ্তৃপক্ষই সাম্প্ৰদায়িক হিংসাৰ ঘটনা বা মুছলমানৰ বিৰুদ্ধে বৈষম্যৰ প্ৰতিবাদৰ পিছত "শাস্তি" হিচাপে সম্পত্তি ভঙাৰ ঘটনা সংঘটিত কৰিছিল। এই ৰাজ্যকেইখন আছিল ভাৰতীয় জনতা পাৰ্টী (বিজেপি) শাসিত অসম, গুজৰাট, মধ্য প্ৰদেশ আৰু উত্তৰ প্ৰদেশ, আৰু আম আদমী পাৰ্টী (আপ) শাসিত দিল্লী।

এমনেষ্টী ইন্টাৰনেচনেলে ১২৮ টা নথিভুক্ত ধ্বংসৰ ৬৩ টা ঘটনাত ১০০ জনতকৈও অধিক ভুক্তভোগী লোক, আইনী বিশেষজ্ঞ, সাংবাদিক আৰু জনগোষ্ঠীয় নেতাৰ সাক্ষাৎকাৰ গ্ৰহণ কৰি সবিশেষ অনুসন্ধান কৰিছিল। জেচিবিৰ সঁজুলি বাৰম্বাৰ ব্যৱহাৰৰ অন্ততঃ ৩৩টা ঘটনা নিশ্চিত কৰা হৈছিল। তদন্তত এইটোও প্ৰমাণিত হয় যে পুৰুষ, মহিলা, শিশু আৰু বৃদ্ধ লোককে ধৰি কমেও ৬১৭ জন লোক গৃহহীন হৈ পৰিছিল বা জীৱিকাৰ পৰা বঞ্চিত হৈছিল। এই ব্যক্তিসকলক বলপূৰ্বক উচ্ছেদ, আৰক্ষীৰ দ্বাৰা অবৈধ বলপ্ৰয়োগ আৰু ভয় দেখুৱা, আৰু সামূহিক আৰু স্বেচ্ছামূলক শাস্তিৰ বলি কৰা হৈছিল যিয়ে বৈষম্যহীনতা, পৰ্যাপ্ত আৱাস আৰু ন্যায্য বিচাৰৰ তেওঁলোকৰ অধিকাৰ খৰ্ব কৰিছিল।

**ন্যায়িক প্ৰক্ৰিয়া অনুসৰণ কৰাৰ সম্পূৰ্ণ ব্যৰ্থতা**

"বুলডোজাৰে আমাৰ ঘৰত প্ৰত্যক্ষভাৱে আক্ৰমণ কৰিছিল। আমাক কোনো জাননী দিয়া হোৱা নাছিল," হাচিনা বি' নামৰ এগৰাকী ৫৬ বছৰীয়া বিধৱা মহিলাই এইদৰে কয়। ২০২২ চনৰ এপ্ৰিল মাহত পৌৰ কৰ্তৃপক্ষই তেওঁক তেওঁৰ মধ্য প্ৰদেশৰ খাৰগোণত থকা ঘৰৰ পৰা উচ্ছেদ কৰে।

পাঁচোখন ৰাজ্যতে এমনেষ্টী ইন্টাৰনেচনেলে দেখা পালে যে ধ্বংসকাৰ্য্যবোৰ প্ৰায়েই অবৈধ নিৰ্মাণ আৰু অনুপ্ৰৱেশ ৰোধ কৰাৰ অজুহাতত কৰা হৈছিল আৰু ৰাষ্ট্ৰীয় আইন বা আন্তৰ্জাতিক মানৱাধিকাৰ আইনত উল্লিখিত প্ৰক্ৰিয়া বা নিয়ম পালন নকৰাকৈ কৰা হৈছিল। ৰাজ্যিক কৰ্তৃপক্ষই কোনো পূৰ্বৰ পৰামৰ্শ, পৰ্যাপ্ত জাননী, বা বিকল্প পুনৰ সংস্থাপনৰ সুযোগ প্ৰদান নকৰাকৈ ধ্বংস আৰু উচ্ছেদক বলৱৎ কৰিছিল। ধ্বংসকাৰ্য্য কেতিয়াবা ৰাতি সংঘটিত হৈছিল আৰু কাকো ঘৰ আৰু দোকান এৰি যাবলৈ, সা-সম্পত্তি উদ্ধাৰ কৰিবলৈ, বা ধ্বংসৰ আদেশৰ আপীল কৰিবলৈ আৰু আইনী ক্ষতিপূৰণ বিচাৰিবলৈ সময় দিয়া হোৱা নাছিল।

এই ধৰণৰ ধ্বংসকাৰ্য্যক বলপূৰ্বক উচ্ছেদ বুলি গণ্য কৰা হয় যিটো আন্তঃৰাষ্ট্ৰীয় মানৱাধিকাৰ আইন আৰু ভাৰতে স্বাক্ষৰ কৰা অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তৰ্জাতিক চুক্তি (আইচিইএছচিআৰ) ৰ অধীনত নিষিদ্ধ।

**'সিহঁতে মোৰ স্বামীক মাৰপিট কৰিলে'**

মধ্য প্ৰদেশৰ সেন্ধৱাত ঘৰ ভাঙি পেলোৱা ৬০ বছৰীয়া এগৰাকী মহিলাই কয়: "আমাৰ দোষ কি বুলি প্ৰশ্ন কৰাত সিহঁতে মোৰ স্বামীক লাঠিৰে মাৰিছিল। মই চিঞৰি চিঞৰি কৈছিলোঁ যে মোৰ শাৰীৰিকভাৱে অক্ষম পুত্ৰ ভিতৰত আছে, কিন্তু সিহঁতে ৰোৱা নাছিল... মই দুয়োকে হেৰুৱালোহেঁতেন।"

এমনেষ্টী ইন্টাৰনেচনেলে কমেও ৩৯ টা ঘটনা নথিভুক্ত কৰিলে য'ত আৰক্ষীয়ে অবৈধভাৱে বল প্ৰয়োগ কৰি ধ্বংসকাৰ্য্য সংঘটিত কৰিছিল বা ভুক্তভোগীসকলক তেওঁলোকৰ সা-সম্পত্তি সংগ্ৰহ কৰাত বাধা দিছিল। কমেও ১৪ জন তেনে লোকে কয় যে তেওঁলোকে চৰকাৰী নথিপত্ৰ দেখুৱাই তেওঁলোকৰ ঘৰবোৰ কিয় ধ্বংস কৰা হৈছে বুলি সোধাৰ বাবে আৰক্ষীয়ে তেওঁলোকক মাৰপিট কৰিছিল। আৰক্ষীয়ে গালি-গালাজ কৰিছিল, গোৰ মাৰি দুৱাৰ খুলিছিল, আৰু মানুহক ঘৰৰ পোৱা চোঁচৰাই বাহিৰলৈ লৈ গৈ লাঠীৰে মাৰিছিল। পুৰুষ-মহিলা উভয়কে বান্ধি আৰক্ষীৰ গাড়ীত ধৰি ৰাখিছিল।

আৰক্ষীয়ে বল প্ৰয়োগ কৰাটো প্ৰয়োজনীয় বা সমানুপাতিক নাছিল। এই অবৈধ বল প্ৰয়োগে মানৱাধিকাৰ উলংঘন কৰে। ইয়াৰ ফলত ভুক্তভোগীসকলৰ ভাৰতীয় সংবিধান তথা আন্তঃৰাষ্ট্ৰীয় মানৱাধিকাৰ আইনত সন্নিৱিষ্ট যথাযথ বাসস্থানৰ অধিকাৰকে ধৰি তেওঁলোকৰ শাৰীৰিক অখণ্ডতা, নিষ্ঠুৰ, অমানৱীয় বা অৱমাননাকাৰী ব্যৱহাৰৰ পৰা মুক্তি আৰু কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ অধিকাৰো উলংঘা হৈছিল।

**বৈষম্যত ৰাজনেতা আৰু সংবাদ মাধ্যমৰ অৰিহণা**

"সম্পত্তি হিন্দুৰেই হওঁক বা মুছলমানৰেই হওঁক, ন্যায় সকলোৰে বাবে সমান হ'ব লাগে," জাহিদ আলি ছৈয়দে কয় যাৰ মধ্য প্ৰদেশৰ খাৰগোণত থকা টেন্ট হাউছ ভাঙি পেলোৱা হৈছিল।

এমনেষ্টী ইন্টাৰনেচনেলে দেখা পালে যে মুছলমান বসতিবহুল অঞ্চলসমূহ ধ্বংসৰ বাবে বাছি লোৱা হৈছিল, আনহাতে বিভিন্ন অঞ্চলত মুছলমানৰ সম্পত্তিবোৰক লক্ষ্য কৰি লোৱা হৈছিল। বিশেষকৈ গুজৰাট আৰু মধ্য প্ৰদেশত হিন্দুসকলৰ সম্পত্তিবোৰ অক্ষুণ্ণ ৰখা হৈছিল।

সৰ্বোচ্চ চৰকাৰী মহলৰ পৰা উচ্ছেদৰ প্ৰৰোচনা কৰা হৈছিল আৰু বহুতো ৰাজ্যিক বিষয়াই প্ৰত্যক্ষভাৱে বা পৰোক্ষভাৱে মুছলমানৰ বিৰুদ্ধে বুলডোজাৰ ব্যৱহাৰৰ বাবে আহ্বান জনাইছিল। উত্তৰ প্ৰদেশকে ধৰি কেইবাখনো ৰাজ্যত শাস্তিমূলক ধ্বংসযজ্ঞক বহু বছৰ ধৰি ন্যায়-বহিৰ্ভূত শাস্তি হিচাপে গ্ৰহণ কৰি অহা হৈছে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথক সংবাদ মাধ্যমে 'বুলডোজাৰ বাবা' (ককাদেউতা) বুলিও অভিহিত কৰিছে।

ভাৰতীয় সংবাদ মাধ্যমে এনে ধৰণৰ ধ্বংসযজ্ঞক "বুলডোজাৰ ন্যায়" বুলি অভিহিত কৰিছে। তেওঁলোকে প্ৰশাসনৰ দ্বাৰা ঘৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ ধ্বংস কৰা কাৰ্য্যক "সুশাসনৰ মডেল" বুলিও অভিহিত কৰিছে। অৱশ্যে এই ধ্বংসযজ্ঞ আইনগতভাৱে কৰা নে ই মুছলমান সম্প্ৰদায়ৰ বিৰুদ্ধে কৰা এক অবৈধ বৈষম্যমূলক কাৰ্য্য, এইয়া তেওঁলোকে বিবেচনা কৰা নাই।

"নিৰ্বাচনৰ বছৰত ভাৰতবৰ্ষত সংখ্যালঘু সম্প্ৰদায়ৰ—বিশেষকৈ মুছলমানৰ—বিৰুদ্ধে চলি থকা ঘৃণাৰ প্ৰচাৰ আৰু তেওঁলোকৰ ঘৰ-দুৱাৰ ভঙাৰ কাৰ্য্যৰ বাবে দায়ী লোকসকলক শাস্তি প্ৰদান নকৰাটো গ্ৰহণযোগ্য নহয়। এমনেষ্টী ইন্টাৰনেচনেলে ভাৰতীয় কৰ্তৃপক্ষক নিৰ্বাচনৰ পূৰ্বে, নিৰ্বাচনৰ সময়ত আৰু নিৰ্বাচনৰ পিছত মুছলমান আৰু অন্যান্য অৱহেলিত লোকৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ আহ্বান জনাইছে," এগ্নেছ কালামাৰ্ডে কয়।

**পটভূমি**

ধ্বংসৰ ডেৰ বছৰ পিছত ঘৰ আৰু ব্যৱসায় হেৰুওৱাৰ ফলত সৃষ্টি হোৱা আৰ্থিক অসুবিধাৰ সত্ত্বেও ভুক্তভোগীসকলে আদালতৰ পৰা ন্যায়ৰ অপেক্ষা কৰি আছে।

ভাৰত চৰকাৰেও ভুক্তভোগীসকলক ন্যায় প্ৰদান কৰাত ব্যৰ্থ হৈছে কাৰণ পাঁচোখন ৰাজ্যত আৰক্ষী, পৌৰ নিগম, উন্নয়ন প্ৰাধিকৰণ আৰু ৰাজহ বিভাগৰ দ্বাৰা সংঘটিত মানৱাধিকাৰ উলংঘনৰ বাবে জবাবদিহি ধাৰ্য্য কৰিব পৰা হোৱা নাই।

বৰঞ্চ ৰাজ্য চৰকাৰবোৰে আৰু কেন্দ্ৰীয় চৰকাৰে মুছলমানৰ সম্পত্তি ভঙা অব্যাহত ৰাখিছে যিটো ২০২৩ চনৰ জম্মু-কাশ্মীৰ, হাৰিয়ানা, গুজৰাট, আৰু উত্তৰাখণ্ডত ঘৰ-দুৱাৰ আৰু দোকান-পোহাৰ ধ্বংস কৰা কাৰ্য্যই প্ৰমাণিত কৰে।

**সম্পাদকলৈ টোকাঃ**

এই দুটা প্ৰতিবেদনৰ সমান্তৰালভাৱে এমনেষ্টীৰ বিশেষজ্ঞ এভিডেন্স্ লেবে জেচিবিৰ মেচিন ব্যৱহাৰ কৰি মুছলমানৰ সম্পত্তি শাস্তিমূলকভাৱে ভাঙি পেলোৱাৰ কেইবা ডজনো প্ৰমাণ সাঙুৰি ৩৬০-ডিগ্ৰী ডিজিটেল অভিজ্ঞতা প্ৰস্তুত কৰিছে। ইয়াত ধ্বংসস্থানবোৰৰ ৩৬০ ডিগ্ৰী ছবি, ভিডিঅ', সাক্ষ্য, আদালতৰ আদেশ আৰু ভূ-স্থানীয় তথ্যও আছে।

Contact: press@amnesty.org